# অসম আভ্যন্তৰীণ জল পৰিবহন প্ৰকল্প

# কাৰ্যকৰী সাৰাংশ

# পাৰিপাৰ্শ্বিক ব্যৱস্থাপনা গাঁথনি

## 1. পটভূমি

অসম চৰকাৰে (GoA) ৰাজ্যখনত বৰ্তমানৰ আভ্যন্তৰীণ জল পৰিবহন (IWT) ব্যৱস্থাটোৰ উন্নতি কৰিবলৈ বিচাৰিছে। আভ্যন্তৰীণ জল পৰিবহন ব্যৱস্থাটোৰ আধুনিকীকৰণ আৰু পৰিবৰ্তনৰ বাবে বিশ্ববেংকে অসম চৰকাৰক সৰ্বমুঠ ১১টা নিৰ্বাচিত টাৰ্মিনেল/জেটী/ঘাটক জেটী, বন্দৰৰ ফেৰীৰ উন্নতিকৰণ, সংযোজনৰ পৰিধি বহলোৱা, ফেৰীৰ উন্নতিকৰণ/ আধুনিকীকৰণ, বিভাগীয় বিকাশ আদিৰ বাবে পৰ্যায়ক্ৰমে সহায় কৰিছে। প্ৰথম পৰ্যায়ত তিনিটা ঘাটক নিৰ্বাচন কৰা হৈছে- গুৱাহাটী, উত্তৰ গুৱাহাটী আৰু অফলামুখ। প্ৰকল্পটোৱে নতুন নিৰ্মাণকে ধৰি আন অভিযান্ত্ৰিক কাম-কাজ সামৰি ল'ব। সেয়েহে ইয়াক বিশ্ববেঙ্কৰ বৰ্গীকৰণ অনুসৰি পৰিৱেশ শ্ৰেণী-ক-ত অন্তৰ্ভুক্ত কৰা হৈছে।

উন্নতিকৰণৰ সময়ত সকলো প্ৰকল্প উন্নয়ণ স্তৰতে প্ৰকল্প উন্নয়ণ/ অভিযান্ত্ৰিক কাম-কাজ পৰিৱেশৰ বিভিন্ন পাৰ্থিব, সামাজিক আৰু জৈৱিক উপাংশ যেনে পানী, বায়ুৰ মান, জলজ আৰু স্থলচৰ জীৱ-উদ্ভিদ, কোলাহল স্তৰ আদিৰ সংস্পৰ্শলৈ আহিব পাৰে। টাৰ্মিনেল/ ঘাট নিৰ্মাণ আৰু ইয়াৰ কাম-কাজৰ স্তৰত পৰিৱেশৰ এই সকলোবোৰ অংশ ইয়াৰ দ্বাৰা প্ৰভাৱান্বিত হ'ব পাৰে। পৰিৱেশ আৰু সমাজত এই প্ৰকল্পৰ প্ৰভাৱৰ মান নিৰূপণৰ বাবে এক বিশদ পৰিৱেশ আৰু সামাজিক প্ৰভাৱ-অধ্যয়ন কৰা হৈছে। তাৰোপৰি উন্নয়নৰ প্ৰভাৱ (অপকাৰ)সমূহ ইয়াৰ স্থান বা নিৰ্মাণ তথা কাম-কাজৰ প্ৰকৃতিৰ ওপৰতো নিৰ্ভৰ কৰে। পাৰিপাৰ্শ্বিক প্ৰভাৱ মূল্যায়ন অধ্যয়নৰ সময়ত এই দুয়োটা দিশ চালি-জাৰি চোৱা হ'ব।

যিহেতু প্ৰকল্পৰ কাম-কাজ আৰু স্থান সমূহৰ সম্পূৰ্ণ তালিকা এতিয়াও চু ড়ান্ত হোৱা নাই, সেয়েহে এক ' গাঁথনিমূলক ব্যৱস্থাপনা' অৱলম্বন কৰা হৈছে। এই ব্যৱস্থাপনা অনুসৰি সকলো সাম্ভাব্য কিন্তু বৰ্গীয় নঞৰ্থক পৰিৱেশজনিত আৰু সামাজিক প্ৰভাৱ চিনাক্ত কৰা ৰ লগতে নঞৰ্থক প্ৰভাৱ হ্ৰাস কৰা, উপ প্ৰকল্প নিৰ্বাচনৰ বাবে আৱশ্যকীয় মান নিৰ্ণায়কৰ ব্যৱস্থা কৰা, বিভাগীয় সহায়-সমৰ্থন দিয়া তথা কাম কাজ ৰূপায়িত কৰা, অভিযোগ-প্ৰতিকাৰ আৰু নিৰীক্ষণ, পৰিৱেশ আৰু সামাজিক নিৰাপত্তাজনিত কামৰ বিৱৰণি আৰু তথ্য যুগুতকৰণ ৰ ব্যৱস্থা কৰিবলৈ বৰ্তমানৰ পৰিৱেশ পৰিচালনা আঁচনি প্ৰস্তুত কৰা হৈছে।এই EMF-এ এই প্ৰকল্পৰ সকলো বস্তুগত কাম-কাজৰ লগতে সম্ভৱপৰতা আৰু এই প্ৰকল্পৰ অধীনত কৰিব লগীয়া আন অধ্যয়নসমূহো সামৰি লৈছে।

## 2. প্ৰকল্প বিৱৰণ

### 2.1. প্ৰকল্পৰ কৌশল আৰু কাৰ্য পৰিকল্পনা

#### 2.1.1 প্ৰকল্প উন্নয়ন লক্ষ্য (PDO)

প্ৰকল্প উন্নয়ন লক্ষ্যসমূহ হৈছে: (ক) অসমত ব্ৰহ্মপুত্ৰৰ ইমুৰৰ পৰা সিমুৰলৈ আৰু ইয়াৰ দ্বীপসমূহলৈ যাত্ৰী আৰু যান বাহনে সহজে পাব আৰু যাব পৰাকৈ ফেৰী ব্যৱস্থাৰ উন্নীতকৰণ আৰু (খ) আভ্যন্তৰীণ জল-পৰিবহন চলোৱা, পৰিচালনা আৰু নিয়ন্ত্ৰণ কৰা ৰাজ্যিক বিভাগসমূহৰ প্ৰতিষ্ঠানিক গাঁথনি উন্নত আৰু সামৰ্থ বৃদ্ধি কৰা।

### 2.1.2 প্ৰকল্পৰ অংশসমূহ

এই প্ৰকল্প ঘাইকৈ ব্ৰহ্মপুত্ৰ পাৰাপাৰ হোৱা যাত্ৰীসকলৰ বাবে ফেৰী সেৱাৰ মান উন্নত কৰাত কেন্দ্ৰীভূত আৰু ই সুবিধাসমূহৰ ব্যৱহাৰেৰে মান্য বুনীয়াদ গঢ়ি অসমত এক আধুনিক আভ্যন্তৰীণ জলপৰিবহন ব্যৱস্থা প্ৰতিষ্ঠা কৰিব খোজে। ৰাজ্যত (ৰাষ্ট্ৰীয় স্তৰতো) উপযুক্ত নীতি নিৰ্ধাৰণৰ দীৰ্ঘদিনীয়া অভাৱ আৰু ক্ষুদ্ৰ, নিম্ন বিনিয়োগে এই খণ্ড অসংগঠিত আৰু দুৰ্বল কৰি পেলাইছে। এই অসুবিধাসমূহ থকা স্বত্বেও অসমে বছৰি প্ৰায় পাঁচ মিলিয়ন লোকক তেওঁলোকৰ বাহন, বয়-বস্ত আৰু জীৱ-জন্তুৰে সৈতে ফেৰী সেৱা আগবঢ়াই আহিছে। এই অ-সুসজ্জিত আভ্যন্তৰীণ জল পৰিবহন বিভাগক কৰ্মঠ কৰিবলৈ চাহিদা আৰু যোগানৰ কাৰকসমূহ সামৰি এক পুংখানুপুংখ পৰিকল্পনাৰ আৱশ্যক। এক বাধ্যতামূলক দৰ্শনেৰে নিৰ্দেশিত এই প্ৰকল্পটোৱে কোনো বিস্তৃত আৰু বৰ্ধিত হস্তক্ষেপ স্বীকাৰ কৰে যদিহে সেইবিলাকে অনুষ্ঠান আৰু পৰিকল্পনা, ব্যৱহাৰোপযোগী দক্ষতা, নিৰাপত্তা আৰু বিশেষ উল্লেখযোগ্যভাবে দীৰ্ঘম্যাদী বহনক্ষমতাক শক্তিশালী কৰাত বৰঙণি আগবঢ়াই। বহলকৈ এই প্ৰকল্পটো এই তিনিটা অংশৰে গঠিত:

#### 2.1.2.1 প্ৰকল্পাংশ 1: প্ৰতিষ্ঠানীয় আৰু নিৰাপত্তা শক্তিশালীকৰণ

#### a. খণ্ড পৰিকল্পনাত কাৰিকৰী সাহাৰ্য:

ৰাজ্যৰ বাবে এক সংহত উন্নয়ন আঁচনি যুগুতাই থকা হৈছে। এই কামটোৱে অসমৰ বাবে এক সামগ্ৰিক পৰিবহন নীতি আৰু বিশেষকৈ জল পৰিবহনক পৰিবহনৰ মূলসুঁতি কৰিবলৈ বিনিয়োগ আঁচনিৰ প্ৰস্তুতিও সাঙুৰি লৈছে। EIA আৰু SIA অধ্যয়নো কৰা হ'ব।

#### b. নতুন নিয়ামক প্ৰাধিকৰণ সৃষ্টিত কাৰিকৰী সাহাৰ্য

পৰিগাঁথনিত বিনিয়োগৰ পূৰ্ণ ব্যৱহাৰ কৰি প্ৰকল্পটোৱে অসম আভ্যন্তৰীণ জল পৰিবহন খণ্ডক প্ৰতিষ্ঠানীয় গাঁথনিৰ সহায়েৰে শক্তিশালী কৰিব বিচাৰিছে। আপাত দুৰ্বলতাসমূহ অধ্যয়ন কৰি অধিক সফল প্ৰতিষ্ঠানৰ বাবে এক বহল পৰিসৰৰ প্ৰতিষ্ঠান শক্তিশালীকৰণ আৰু ব্যৱসায় আঁচনি (ISBP) লোৱা হৈছে। এই খণ্ডত (নৌ পৰিবহন, বন্দৰ আৰু জাহাজ নিৰ্মাণ) নিৰাপত্তা, অৰ্থনৈতিক আৰু পৰিৱেশ নিয়ন্ত্ৰণ নিশ্চিত কৰা এক স্বতন্ত্ৰ আভ্যন্তৰীণ জলপৰিবহন (IWT) নিয়ামক প্ৰাধিকাৰী স্থাপনৰ কাৰণে এখন আইন প্ৰণয়নৰ বাবে প্ৰয়োজনীয় ভিত্তি ইতিমধ্যেই চৰকাৰক দিয়া হৈছে। এই খণ্ডৰ আইন ৰচোঁতে এক বিশেষ গুৰুত্ব দিয়া বিষয় হৈছে যাত্ৰী, বিশেষকৈ মহিলা আৰু শিশু, আৰু জাহাজ চলাচলৰ নিৰাপত্তা বিধি। আভ্যন্তৰীণ জল পৰিবহনৰ বাবে এক সুকীয়া, স্বতন্ত্ৰ নিয়ামক প্ৰাধিকাৰী স্থাপনৰ বাবে শেহতীয়াকৈ ২০১৮ চনৰ নৱেম্বৰত ৰাজ্য চৰকাৰে বিলখন উত্থাপন কৰিছে।

**c. অসম শ্বিপিং কোম্পানী আৰু অসম পোৰ্ট কোম্পানীৰ ব্যৱসায়িক পৰিকল্পনা:**

চৰকাৰী নৌ পৰিবহনৰ কাম-কাজ আৰু টাৰ্মিনেল সেৱাৰ বাবে যথাক্ৰমে ‘অসম শ্বিপিং কোম্পানী’ (Assam Shipping Company) আৰু ‘অসম বন্দৰ কোম্পানী’ (Assam Ports Company)- এই দুই নতুন কোম্পানী গঠন কৰিবলৈ ঠিৰাং কৰা হৈছে। এই দুয়োটা নতুন নিগম ২০১৩ চনৰ কোম্পানী আইন অনুসৰি হ’ব।

**d. গতিপথ নিয়ন্ত্ৰণ সহায়ক, কিছুমান পথত নিশা গতিপথ নিৰ্ণয়ৰ সুবিধা প্ৰদান**

এই অংশটোৱে ৰাষ্ট্ৰীয়/ আন্তৰাষ্ট্ৰীয় অভিজ্ঞতাক সাৰথি কৰি জল গতিপথ নিৰ্ণয়ৰ বাবে অতি অসুৰক্ষিত/ঘন যাতায়ত পথ/পথ অতিক্ৰম কৰা ঠাইত ২৪ ঘণ্টীয়া সেৱা,/ নিশা গতিপথ নিৰ্ণয় বাবে যথাযোগ্য সামগ্ৰী নিৰ্বাচন আৰু ক্ৰয়কৰি সেইবিলাক সুবিধাজনকভাবে স্থাপন কৰিব। ২-৩ বিপদ প্ৰবণ স্থানত পাইলট প্ৰজেক্টেৰে আৰম্ভ কৰি এই ক্ষেত্ৰত বিনিয়োগ কৌশল অনুসৰি নেভিগেইশ্বন সামগ্ৰীসমূহ নিৰ্দিষ্ট মাত্ৰাত বঢ়াই যোৱা হ’ব।

**e. এটা জৰুৰীকালীন প্ৰতিকাৰ ব্যৱস্থা (নীতি, কাৰ্য্যপ্ৰণালী, আহিলা আৰু ব্যৱস্থাপনা) স্থাপন**

এটা গুৰুত্বপূৰ্ণ উদ্দেশ্য হ’ব অনুসন্ধান তথা উদ্ধাৰ প্ৰতিষ্ঠান এটা স্থাপন কৰিবলৈ সমৰ্থন দিয়া/ জৰুৰীকালীন প্ৰতিকাৰ ব্যৱস্থা (নীতি, কাৰ্য্যপ্ৰণালী, আহিলা আৰু ব্যৱস্থাপনা) এটাৰ প্ৰাৰম্ভিক আৰ্হি নিৰ্মাণ কৰাৰ লগতে জলবায়ুজড়িত বা অন্য প্ৰাকৃতিক দুৰ্য্যোগকে ধৰি জৰুৰীকালীন অৱস্থাত ল’ব লগা তৎপৰতাৰ ব্যৱস্থাসমূহ উন্নত কৰা।

**f. পুনৰ্গঠিত উদ্যোগটোত কৰ্মচাৰীসকলে ল’ব লগা ভূমিকা সম্পৰ্কীয় প্ৰশিক্ষণ**

অসম অভ্যন্তৰীণ জল-পৰিবহন সঞ্চালকালয়ৰ কৰ্মচাৰীসকলৰ বৃত্তিগত বিকাশ, নব্য-কুশলীকৰণ আৰু নিয়োগ-মানচিত্ৰণৰ (জব মেপিং) আৰশ্যকতাৰ প্ৰতি দৃষ্টি ৰাখি বিশেষভাৱে নিয়োজিত অইন এক সংস্থাই তেওঁলোকৰ দক্ষতা বৃদ্ধিৰ প্ৰয়োজনীয়তাসমূহৰ এক বিস্তাৰিত মূল্যায়ন প্ৰতিবেদনৰ দায়িত্বও ল’ব।

**2.1.2.2 প্ৰকল্পাংশ 2: নৌ-বহৰৰ আধুনিকীকৰণ**

ইয়াৰ ভিতৰত থাকিব অসুৰক্ষিত আৰু পৰিত্যক্ত নৌকাযান/জাহাজবোৰ ভাঙি আৰু নতুন নৌকাযান/জাহাজেৰে বদলাই নাইবা শেহতীয়া নৌকাযান/জাহাজবোৰক নতুন সামুদ্ৰিক ইঞ্জিন আৰু সুৰক্ষা আহিলাৰে পুনৰ্সজ্জিত কৰি ব্যক্তিগতখণ্ডৰ নৌ-বহৰ চালন কৰিবলৈ “জীৱনডিঙা” শীৰ্ষক এক উদ্গানি-মূলক আঁচনিৰ যোগে আৰ্থিক সমৰ্থন দিয়া।

“জীৱনডিঙা” আঁচনিৰ মূল উদ্দেশ্য হ’ল নৌকাযান/জাহাজ নিৰ্মাণ আৰু তদাৰক কাৰ্য্যত প্ৰভাৱ পেলোৱা বিত্তীয় বা অন্যান্য প্ৰতিবন্ধকতাসমূহ পৰ্য্যালোচনা কৰি, সেউজ আৰু সুৰক্ষিত প্ৰযুক্তিক আপডাল কৰাকে ধৰি বিভিন্ন আধুনিক জাহাজ-প্ৰযুক্তিত ব্যক্তিগত খণ্ডক বিনিয়োগ কৰিবলৈ উৎসাহ যোগোৱা। অসম চৰকাৰে ব্যক্তিগত খণ্ডৰ স্থানীয় নৌকাযান পৰিচালকসকলৰ

বাবে পানীক জীৱন/জীৱিকাৰ এটা উৎস হিচাপে বুজোৱা "জীৱনডিঙা" শীৰ্ষক এটা খচৰা-প্ৰস্তাৱ প্ৰস্তুত কৰি উলিয়াইছে যিয়ে নতুন নৌকাযান আহৰণ আৰু শেহতীয়াকৈ আহৰণ কৰা নৌকাযানৰ পুনৰ্সজ্জন উভয় কাৰ্য্যৰ বাবে উদ্গনি-বানচ প্ৰদান কৰিব। মহিলা উদ্যোগপতি আৰু মহিলা আত্ম-সহায়ক গোটসমূহক উৎসাহ যোগাবলৈ এই আঁচনিত তেওঁলোকৰ বাবে বিশেষ উদ্গনি-বানচৰ ব্যৱস্থা ৰখা হৈছে।

সাম্প্ৰতিক চৰকাৰী নৌ-বহৰ, জাহাজৰ কাঠামো (Hull) আৰু যন্ত্ৰপাতি, নৌকাতল (Deck) আৰু বাণিজ্য সুচল বাহ্যিক সামগ্ৰী, প্ৰভাৱৰ স্থায়িত্ব (নিৰ্দিষ্ট পৰিচালন-ক্ষেত্ৰৰ বাবে), বোজাই কাৰ্য্য আৰু অন্যান্য পৰিস্থিতি সম্পৰ্কীয় চৰ্তাবদ্ধ সমীক্ষাসমূহ চলোৱাত এই প্ৰকল্পই সহায় কৰিব। নিৰ্বাচিত কিছুমান নৌকাযানক পুনৰ্সজ্জিত কৰোৱাও হ'ব পাৰে। ইয়াৰ ভিতৰত আৱৰ্জনা ব্যৱস্থাপনা পদ্ধতিৰ লগতে ইন্ধনৰ কাৰ্য্যক্ষমতা আৰু ইন্ধনৰ মিশ্ৰণৰ ক্ষেত্ৰতো নৌকাযানসমূহক "সেউজ" মাপকাঠীত গ্ৰহণযোগ্য কৰিবলৈ লোৱা ব্যৱস্থাও থাকিব। যথাসম্ভৱ গুৱাহাটীতে নৌকাযানসমূহৰ কাৰণে সংকুচিত প্ৰাকৃতিক গেছক (CNG) ইন্ধন হিচাপে ভৰোৱা আস্থান এটাৰ প্ৰাৰম্ভিক বিকাশৰ দিশো অন্বেষণ কৰা হ'ব। কিছুসংখ্যক নিৰ্বাচিত জল-যোগাযোগ পথত চলোৱাৰ বাবে মধ্যম-বেগী তথা অগভীৰ জলপৃষ্ঠত চলনক্ষম ৰোল-অন ৰোল-অফ (ৰো-ৰো) শ্ৰেণীৰ কেইইখনমান যাত্ৰীবাহী/মালবাহী "ক্যাটমাৰান" (দ্বি-কাঠামীয় নৌকাযান) সংগ্ৰহ কৰাৰ পৰিকল্পনাও কৰা হৈছে।

নিৰ্দিষ্ট চাহিদাৰ অনুকূল হোৱাকৈ নিৰ্মিত অতিৰিক্ত ভাসমান বহন-ব্যৱস্থা প্ৰৱিষ্ট কৰি এই প্ৰকল্পৰ জৰিয়তে বহুসংখ্যক নদীদ্বীপ, বিভিন্ন গাঁও আৰু দূৰণিবটীয়া চৰাঞ্চলৰ মাজত যোগাযোগ ব্যৱস্থাৰ উন্নতি ঘটাবও বিচৰা হৈছে। মিশ্যনৰ পূৰ্ব প্ৰস্তুতিৰ অংশ হিচাপে জিলা আৰু স্থানীয় প্ৰশাসনৰ লগত হোৱা আলোচনাই, বিশেষকৈ ব্ৰহ্মপুত্ৰৰ উজনিৰ ফালৰ অঞ্চলবোৰত (ডিব্ৰুগড়, যোৰহাট, মাজুলী) অৱস্থিত যথেষ্টসংখ্যক সৰুসুৰা নদীদ্বীপ আৰু দূৰণিবটীয়া চৰাঞ্চললৈ যাতায়তৰ ক্ষেত্ৰত থকা বাধা-বিঘিনিৰ গুৰুতৰ সমস্যাক পোহৰলৈ আনে। যাতায়তৰ ক্ষেত্ৰত থকা এইবোৰ বাধা-বিঘিনিয়ে স্বাস্থ্য (মাতৃ আৰু কেঁচুৱাৰ মৃত্যুৰ উচ্চ হাৰ), শিক্ষা, নিযুক্তি আৰু বেহা-বেপাৰ আদিত যথেষ্ট বিৰূপ প্ৰভাৱ পেলাইছে। উদাহৰণস্বৰূপে, জনবসতি থকা বহুতো নদীদ্বীপত চিকিৎসা সেৱাৰ ব্যৱস্থা নাই আৰু তাৰ বাসিন্দাসকলে সেই সেৱাৰ সুবিধা ল'বলৈ নিকটৱৰ্তী ডাঙৰ চহৰবোৰলৈ যাব লগা হয়, জৰুৰীকালীন অৱস্থাত যিটো অতিশয় শংকাজনক। একেধৰণে মানুহে কেৱল জীৱিকাৰ বাবে অৰ্থাৎ খেতিবাতি আৰু পশুধনপালন ক্ষেত্ৰ হিচাপেহে ব্যৱহাৰ কৰা কিছুমান এনেকুৱা নদীদ্বীপ আছে য'লৈ মানুহবোৰে নিজৰ গাঁৱৰপৰা প্ৰতিদিনে অহাযোৱা কৰিব লগা হয় অথচ য'ত ফেৰীসেৱা অতি সীমিত আৰু অনিয়মীয়া। সেয়েহে এই প্ৰকল্পই তেনে বিশেষ প্ৰয়োজনবোৰৰ তালিকা প্ৰস্তুত কৰি উলিওৱাত আৰু জলপথীয় জৰুৰীকালীন এম্বুলেঞ্চ সেৱা, বিদ্যাৰ্থীবাহী ফেৰী/নিয়মীয়া ফেৰীসেৱা, সন্ধান তথা উদ্ধাৰক বাহন আদি সেৱাৰ বাবে উপযুক্ত নৌকাযান (বিশেষকৈ আকাৰত সৰু আৰু বেগত বেছি) আহৰণ কৰাত সমৰ্থন জনাব।

### 2.1.2.3 প্ৰকল্পাংশ 3: প্ৰান্তীয়-ঘাটৰ (টাৰ্মিনেল) আন্তঃগাঁথনিৰ উন্নয়ন

নগৰীয়া আৰু গ্ৰাম্য উভয় অঞ্চলৰে প্ৰধান ফেৰী ঘাটসমূহত ব্যৱহাৰকাৰী বিশেষকৈ দিব্যাংগ, মহিলা, শিশু, বয়সস্থ তথা দুৰ্বল আৰু চিকিৎসাৰ নিমিত্তে যাত্ৰা কৰা যাত্ৰীসকলৰ ব্যৱহাৰৰ সুচল হোৱাকৈ আধুনিক, বৃদ্ধিক্ষম ভাসমান প্ৰান্তীয়-ঘাটৰ (স্থলসংলগ্ন আৰু ভাসমান মিশ্ৰিত) বিভিন্ন আন্তঃগাঁথনি যেনে স্থলপথ-সংযোজক, প্ৰান্তীয়-ঘাটগৃহ আৰু অন্যান্য সা-সুবিধা নিৰ্মাণ কৰা কাৰ্য্য এই প্ৰকল্পাংশত অন্তৰ্ভুক্ত কৰা হৈছে। ইপাৰ-সিপাৰ জুৰি থকা সীমিতসংখ্যক দলং/স্থল সংযোজন ব্যৱস্থা

আৰু স্থানীয়ভাৱে উৎপাদিত সামগ্ৰী আদিৰ বেহা-বেপাৰৰ নিমিত্তে বজাৰৰ লগত সুগম যোগাযোগৰ বাবে উঠা নিয়মিত দাবী তথা চাহিদালৈ লক্ষ্য ৰাখি এই প্ৰকল্পৰ অধীনত কিছুসংখ্যক ৰো-ৰো/ৰো-পেক্স জাতীয় নৌকাযান (প্ৰায় পাঁচযোৰা) পাৰত লগাব (লেণ্ডিং) পৰাকৈ পাৰঘাট নিৰ্মাণৰ কথাও বিবেচনা কৰা হ'ব।

বিশেষকৈ চাৰিটা ব্যস্ত জলপথ-জংচনত অগ্ৰাধিকাৰভিত্তিত আঠটা নতুন প্ৰান্তীয়-ঘাটৰ লগতে মুঠ দহটা জলপথৰ উন্নীতকৰণ জৰুৰী হোৱা বিভিন্ন স্থানত প্ৰায় বিশটা প্ৰান্তীয়-ঘাট সংৰচনা আৰু নিৰ্মাণৰ ব্যয় প্ৰকল্পটোৰ এই প্ৰকল্পাংশই বহন কৰিব। অন্যান্য নগৰীয়া আৰু গ্ৰাম্যঞ্চলীয় ফেৰী-ঘাটসমূহৰ নিৰ্মাণত প্ৰযোজ্য হোৱাকৈ বৃদ্ধিক্ষম আন্তঃগাঁথনিৰ মানক সংৰচনাও এই প্ৰকল্পাংশই প্ৰদান কৰিব। আন্তঃগাঁথনি উন্নয়ন/সংৰচনা প্ৰক্ৰিয়াবোৰে মূলতঃ "প্ৰকৃতিৰ লগত তাল মিলোৱা" উপায় অৱলম্বন কৰিব, যাৰ ফলত প্ৰাকৃতিক পৰিস্থিতি-তন্ত্ৰক কেন্দ্ৰবিন্দুত ৰাখি সমাধান-সূত্ৰবোৰ ক্ষতিহীন আৰু দীৰ্ঘস্থায়ী (সীমাবদ্ধ নদীবক্ষ-খনন, জলবায়ু-পৰিৱৰ্তন-প্ৰতিৰোধী ক্ষমতা বৃদ্ধিৰ নিমিত্তে পাৰঘাট নিৰ্মাণৰ ক্ষেত্ৰত সুবহনীয়/প্ৰতিমানকীয় আন্তঃগাঁথনীয় সংৰচনাৰ আৰ্হিক অনুসৰণ কৰা, নিম্ন দ্ৰাফ্টযুক্ত নৌকাযান সংৰচনা ইত্যাদি) কৰাত গুৰুত্ব আৰোপ কৰা প্ৰকল্পৰ লক্ষ্যসমূহ যথোপযুক্তভাবে মানি চলাটো সুনিশ্চিত হ'ব। এই উন্নয়নমূলক কাৰ্য্যবোৰে পাৰিপাৰ্শ্বিক-পৰ্য্যটনৰ বিকাশ, নদীৰ তীৰাঞ্চলক পুনৰূজ্জীৱিতকৰণ আৰু আধুনিক অৰ্থত উন্নত ফেৰীঘাটৰ সমীভৱন আদি সুবিধাৰ পথ মুকলি কৰিব।

এই প্ৰকল্পৰ সমূহ প্ৰকল্পাংশতে ( 1, 2 আৰু 3) যথোপযুক্ত চয়ন (স্ক্ৰীণিং) আৰু আৱশ্যকতা অনুসৰি প্ৰাসঙ্গিক পৰিৱেশ ব্যৱস্থাপনা আৰু প্ৰশমন ব্যৱস্থাসমূহ ৰূপায়ণ কৰাটো সুনিশ্চিত কৰাৰ প্ৰয়োজনীয়তাসমূহ এইখন পাৰিপাৰ্শ্বিক ব্যৱস্থাপনা পৰিগাঁথনিত (EMF) উল্লেখ কৰা হৈছে।

## 2 কাৰ্য্যাৱলীৰ সাৰাংশ

এই প্ৰকল্পৰ যিবোৰ প্ৰকল্পাংশৰ পাৰিপাৰ্শ্বিক আৰু সামাজিক প্ৰভাৱ পেলাব পৰা সম্ভাৱনা আছে আৰু সেইকাৰণে বৰ্তমানৰ বিশ্লেষণত প্ৰাসঙ্গিক সেইবোৰ হৈছে কায়িক কাৰ্য্যাৱলী । সমূহ সম্ভাব্য কায়িক কাৰ্য্যাৱলীৰে এক সাৰাংশ তলত প্ৰকাশ কৰা হৈছে।

- ISDP অনুসৰি প্ৰান্তীয়-ঘাট/ঘাট/ফেৰীস্থানসমূহৰ উন্নীতকৰণ

ইয়াৰ লগতে বৰ্তমানৰ পাৰিপাৰ্শ্বিক ব্যৱস্থাপনা পৰিগাঁথনিয়ে (EMF) সম্ভাৱনীয়াত অধ্যয়নকে ধৰি এই প্ৰকল্পৰ অধীনত কৰিব লগীয়া অন্যান্য অধ্যয়নসমূহকো সামৰি লৈছে।

প্ৰস্তাৱিত বেছিভাগ কাৰ্য্যাৱলীয়ে পুনৰ্বাসন, তদাৰক আৰু মেৰামতি কৰা কাৰ্য্যসমূহকে সূচাইছে। বানপানী প্ৰতিৰোধ গাঁথনিৰ প্ৰস্তাৱত এনে কোনো বৃহৎ গাঁথনি অন্তৰ্ভুক্ত কৰা নহ'ব যিয়ে বান্ধ সুৰক্ষা নীতিৰ সূত্ৰপাত কৰিব পাৰে। কাৰ্য্যসমূহক ভালকৈ চালিজাৰি চোৱা হ'ব যাতে যিকোনো অপৰিৱৰ্তনীয় নাইবা উল্লেখনীয় ঋণাত্মক পাৰিপাৰ্শ্বিক অথবা সামাজিক প্ৰভাৱ পেলাব কাৰ্য্য সংঘটিত নোহোৱাটো সুনিশ্চিত কৰিব পৰা যায়। সেয়েহে এই প্ৰকল্পৰ অধীনত ৰূপায়িত হ'বলগীয়া সমস্ত কাৰ্য্যাৱলীকে বিশ্ব বেঙ্কৰ পৰিৱেশ বৰ্গ A-ৰ অন্তৰ্ভুক্ত হ'ব।

## 3 সুৰক্ষা নীতিসমূহৰ সূত্ৰপাতৰ প্ৰযোজ্যতা

সম্ভাব্য অসামৰিক কাৰ্য্যাৱলীৰ বিশ্লেষণৰ ভিত্তিত এই প্ৰকল্পত তলত দিয়া সুৰক্ষা নীতিসমূহ প্ৰাসঙ্গিক বুলি ক'ব পাৰি:

| শীৰ্ষক | মুখ্য আৱশ্যকতাসমূহ | এই প্ৰকল্পত প্ৰযোজ্যতা |
|---|---|---|
| OP 4.01 পাৰিপাৰ্শ্বিক বিশ্লেষণ | প্ৰকল্প এটাৰ স্থায়িত্ব আৰু পাৰিপাৰ্শ্বিক সম্ভাৱনীয়তাক সুনিশ্চিত কৰে। প্ৰকল্পবোৰক ইয়াৰ প্ৰকৃতি আৰু প্ৰভাৱৰ ব্যাপ্তি অনুসৰি A, B আৰু C বৰ্গত বিভক্ত কৰা হয়। | সূত্ৰপাত হ'ব |
| OP 4.04 প্ৰাকৃতিক বাসস্থান | প্ৰাকৃতিক বাসস্থানৰ সংৰক্ষণ সুনিশ্চিত কৰা আৰু বিকল্প পদ্ধতি/পথ/উপায় অৱলম্বন কৰিবলৈ অনুমোদন জনাই নাইবা ব্যৱস্থাপনা প্ৰতিবিধান ব্যৱহাৰ কৰিবলৈ আঙুলিয়াই দি প্ৰকল্পৰ বিকাশৰ দ্বাৰা প্ৰাকৃতিক বাসস্থানত সংঘটিত হ'ব পৰা যিকোনো প্ৰকাৰৰ  অশান্তিজনক কামক নিৰুৎসাহিত কৰা। | সূত্ৰপাত হ'ব |
| OP 4.36 অৰণ্য | প্ৰকল্পৰ কোনো কাৰ্য্যৱলীয়ে যাতে অৰণ্য, অৰণ্যবাসীৰ জীৱন-প্ৰণালী, অৰণ্যৰ জীৱ আৰু বনস্পতিৰ ওপৰত যাতে একো বিৰূপ প্ৰভাৱ/ অশান্তি নিবিয়পায় তাক সুনিশ্চিত কৰা।  অৰন্যৰ বিনাশ আৰু অৰণ্য নিৰ্ভৰ মানুহবিলাকৰ অধিকাৰ বিনষ্ট কৰা কাৰ্য্য প্ৰতিৰোধ কৰা তথা নিৰুৎসাহ যোগোৱা। | অৰণ্যৰ ক্ষেত্ৰত সূত্ৰপাত হ'ব পাৰে; গছকটাৰ ক্ষেত্ৰত সূত্ৰপাত হ'ব |
| বিশ্ববেঙ্ক গোটৰ পৰিৱেশ, স্বাস্থ্য আৰু সুৰক্ষা বিধি (সাধাৰণ) | পাৰিপাৰ্শ্বিক বিশ্লেষণৰ ফলাফলৰ ওপৰত ভিত্তি কৰি প্ৰত্যেক প্ৰকল্পৰ বাবে নিৰ্ধাৰিত বিপত্তি আৰু আশংকাসমূহক আগত ৰাখি পৰিৱেশ, স্বাস্থ্য আৰু সুৰক্ষাৰ সাধাৰণ বিধিসমূহৰ প্ৰযোজ্যতা নিৰূপণ কৰিব লাগে। | প্ৰযোজ্য |
| বিশ্ববেঙ্ক গোটৰ ঘাট, বন্দৰ আৰু প্ৰান্তীয়-ঘাটৰ বাবে প্ৰযোজ্য ক্ষেত্ৰবিশিষ্ট পৰিৱেশ, স্বাস্থ্য আৰু সুৰক্ষা বিধি | পাৰঘাট, বন্দৰ আৰু প্ৰান্তীয়-ঘাটৰ বাবে থকা পৰিৱেশ, স্বাস্থ্য আৰু সুৰক্ষা বিধিসমূহ যাত্ৰী আৰু মাল সৰবৰাহৰ বাবে নিৰ্মিত সামুদ্ৰিক বা স্বচ্ছনীৰীয় ঘাট, বন্দৰ আৰু প্ৰান্তীয়-ঘাটৰ ক্ষেত্ৰত প্ৰযোজ্য | প্ৰযোজ্য |

## 4 পাৰিপাৰ্শ্বিক আৰু সামাজিক সুৰক্ষা চয়ন

পাৰিপাৰ্শ্বিক আৰু সামাজিক বিশ্লেষণ পদ্ধতিৰ অংশহিচাপে তথা বিশ্ববেঙ্ক, অসম চৰকাৰ আৰু অসম অভ্যন্তৰীণ জল-পৰিবহন সঞ্চালকালয়ৰ আৱশ্যকতা অনুসৰি পাৰিপাৰ্শ্বিক আৰু সামাজিক সুৰক্ষা চয়ন অনুশীলন সম্পন্ন কৰা হৈছে আৰু সম্ভাব্য কাৰ্য্যাৱলীৰ তালিকা সংলগ্ন খচৰা প্ৰতিবেদন দাখিল কৰা হৈছে । . তড়িৎ চয়ন অনুশীলনে এই প্ৰকল্পৰ অধীনৰ কাৰ্য্যাৱলীৰপৰা তলত দিয়া প্ৰভাৱসমূহ দেখা যাব পাৰে চিহ্নিত কৰিছে:

**ধনাত্মক প্ৰভাৱ:**

- আভ্যন্তৰীণ জল-পৰিবহন আৰু উত্তৰ-দক্ষিণ যাতায়ত ব্যৱস্থাৰ উন্নতি।
- মানৱ-জীৱন সুৰক্ষা।
- জীৱিকা আৰু উৎপাদনক্ষম সম্পদসমূহৰ সুৰক্ষাৰ জৰিয়তে দৰিদ্ৰতা হ্ৰাস।
- বিপত্তিপ্ৰৱণ জনসাধাৰণক চৰম দাৰিদ্ৰ, বঞ্চনা, সামাজিক তথা আৰ্থিক অসমতাৰ পৰা সুৰক্ষা দিয়া যাৰ ফলত অৰ্থনৈতিক বিকাশ আৰু মানৱ-বিকাশৰ সূচ্যাঙ্ক ধনাত্মকভাৱ প্ৰভাৱিত হ'ব।
- শিশুসকলৰ কল্যাণ।
- আয় আৰু জীৱন নিৰ্বাহৰ মানৰ উন্নতি।
- বিপত্তিপ্ৰৱণ গোটসমূহক বিপৰ্য্যয়ৰ পৰা সুৰক্ষা প্ৰদান।
- গাঁও আৰু আবাসিক অঞ্চলসমূহক গৃহ তথা অন্যান্য কায়িক সম্পত্তিৰ ক্ষতি হ'ব পৰা অৱস্থাৰ বিপক্ষে সুৰক্ষা প্ৰদান।
- অস্থায়ী স্থানান্তৰণ হ্ৰাস।
- গৰাখহনীয়াৰ ফলত হোৱা ভূমিক্ষয়ৰ পৰিমাণ হ্ৰাস।
- স্থানীয় পাৰিপাৰ্শ্বিক আৰু সামাজিক অৱস্থাৰ উন্নতি।
- জলজনিত আৰু অন্যান্য বিপৰ্য্যয়জনিত বেমাৰবিলাক আৰু তাৰ লগত জড়িত মানসিক ভীতি হ্ৰাস পোৱাৰ ফলত জনসমাজৰ স্বাস্থ্যৰ প্ৰতি অহা শংকা হ্ৰাস।
- শস্য আৰু পশুধনৰ ক্ষতিৰ বিপক্ষে সুৰক্ষা প্ৰদান।
- কৃষিজাত সামগ্ৰী আৰু আৰ্থিক লাভত বৃদ্ধি।
- স্থানীয় লোকৰ বাবে নিয়োগৰ সুবিধা বৃদ্ধিৰ জৰিয়তে দৰিদ্ৰতা হ্ৰাস।

**ঋণাত্মক প্ৰভাৱ:**

- জল-প্ৰদূষণ।
- নিৰ্মাণ কাৰ্য্যত জলৰ অপব্যয়।
- কাপোৰ ধোৱা ঘাটবোৰৰ বিলুপ্তি।
- ৰাসায়নিক দ্ৰব্যাদিৰ ক্ষৰণ।
- কঠিন আৱৰ্জনা, শিবিৰ স্থাপন কৰা অঞ্চল, শিলৰ অৱশিষ্ট দম আৰু পাচলিৰ বাকলি আদি যদি পৰিষ্কাৰ নকৰাকৈ ৰখা হয় তেন্তে ভূমি-প্ৰদূষণ হ'ব পাৰে।
- যন্ত্ৰপাতিৰ ব্যৱহাৰ আৰু যান-বাহনৰ চলাচলৰ ফলত সৃষ্টি হোৱা শব্দ আৰু কম্পন।
- ধোঁৱা আৰু ধূলিৰপৰা হোৱা বায়ু-প্ৰদূষণ।
- যাতায়ত আৰু ৰাজহুৱা উপদ্ৰপ।
- প্ৰকল্প-ক্ষেত্ৰ মুকলিৰ সময়ত গছ আৰু সেউজ আচ্ছাদন কাটি গুচাব লগীয়া হ'ব পাৰে।
- ভূমিৰ ব্যৱহাৰত পৰিৱৰ্তন।

- প্ৰকল্পৰ লগত জড়িত বৃত্তিধাৰী কৰ্মচাৰী/শ্ৰমিক আৰু প্ৰকল্প-ক্ষেত্ৰৰ সমীপত বাস কৰা নিবাসীসকলৰ স্বাস্থ্য আৰু সুৰক্ষালৈ আহিব পৰা সংশয়৷
- প্ৰকল্প-ক্ষেত্ৰৰ সমীপত বাস কৰা নিবাসীসকলৰ সুচল অহাযোৱালৈ আহিব পৰা সংশয়৷
- অন্য ঠাইৰ পৰা শ্ৰমিকৰ আগমন হোৱাৰ ফলত সাংস্কৃতিক দিশলৈ আহিব পৰা ভাবুকি, লৈংগিক দিশতো প্ৰভাৱ পৰিব পাৰে।
- বিপত্তিৰ আশংকা।
- স্থলীয় আৰু জলীয় পৰিস্থিতি-তন্ত্ৰলৈ আহিব পৰা ভাবুকি।

পাৰিপাৰ্শ্বিক ব্যৱস্থাপনা গাঁথনিয়ে এই সমস্ত সম্ভাব্য ঋণাত্মক পাৰিপাৰ্শ্বিক আৰু সামাজিক প্ৰভাৱক চালিজাৰি চাইছে আৰু এই প্ৰভাৱবোৰ প্ৰশমিত কৰিব পৰা ব্যৱস্থা প্ৰদান কৰাৰ লগতে প্ৰশমন ব্যৱস্থাসমূহ ৰূপায়ণ কৰাটো সুনিশ্চিত কৰিবলৈ প্ৰয়োজন হোৱা প্ৰতিষ্ঠানিক ব্যৱস্থাসমূহৰো তালিকা প্ৰস্তুত কৰি দিছে৷

উপ-প্ৰকল্পসমূহৰ নিৰ্মাণজড়িত সামাজিক প্ৰভাৱসমূহক সম্বোধন কৰিবলৈ নিৰ্দিষ্ট উপ-প্ৰকল্পভিত্তিক ESMP-ৰ অংশ হিচাপে এটা সামাজিক ব্যৱস্থাপনা পৰিকল্পনা (SMP) প্ৰস্তুত কৰা হ'ব। OP 4.12-ৰ আৱশ্যকতাসমূহ ৰূপায়িত কৰাৰ বাবে SMF-ৰ অংশ হিচাপে এখন পুনৰ্বাসন নীতিসমৃদ্ধ গাঁথনিও বিকশিত কৰা হ'ব। . RPF-এ পুনৰ্বাসনৰ মূল নীতি আৰু উদ্দেশ্যসমূহ নিৰূপণ কৰিব য'ত উপ-প্ৰকল্প চয়ন-পদ্ধতি এটাও অন্তৰ্ভুক্ত কৰা হ'ব যাতে ব্যক্তিগত মাটি অধিগ্ৰহণ কৰা আৰু গুৰুতৰ পুনৰ্বাসনৰ প্ৰভাৱ সম্বলিত কোনো উপ-প্ৰকল্পকে চয়ন কৰা নহয়। যদিহে চৰকাৰী বিভাগ, সন্মিলিত ৰাজহুৱা ভূমি আৰু ব্যক্তিগত মালিকানাৰ পৰা ভূমি বিচৰাৰ প্ৰয়োজনীয়তা আহি পৰে তেন্তে তেনে ভূমি স্বেচ্ছা-দান বুলিহে অধিগ্ৰহণ কৰা হ'ব। ইয়াৰ উপৰিও RPF-ত নিম্ন আৰু মধ্যম পৰ্য্যায়ৰ বিৰূপ সামাজিক প্ৰভাৱক সুদক্ষভাৱে প্ৰশমিত কৰা আৰু ক্ষতিপূৰণ দিয়াৰ নিমিত্তে ল'ব লগা পুনৰ্বাসন পদক্ষেপ পৰিকল্পনাৰ ( RAP) প্ৰস্তুত প্ৰণালী, RAP ৰূপায়ণ কৰিবলৈ প্ৰয়োজনীয় প্ৰতিষ্ঠানিক ব্যৱস্থা, RAP ৰূপায়ণৰ সফল নিৰীক্ষণ তথা প্ৰতিবেদন ব্যৱস্থা আৰু সিবিলাকক অৰ্থযোগান পদ্ধতিও সন্নিৱিষ্ট থাকিব। RAP আৰু ESMPসমূহ প্ৰস্তুত কৰা সময়ত পীড়নসম্ভাব্য মানুহবিলাক আৰু অন্যান্য সংলগ্ন অংশীদাৰৰ লগতো আলোচনা কৰা হ'ব যাতে পীড়নসম্ভাব্য আৰু হিতাধিকাৰী সম্প্ৰদায় আৰু অন্যান্য সংলগ্ন অংশীদাৰৰ পৰা সহযোগিতা পোৱাটো নিশ্চিত হয়। তথ্য সৰবৰাহ, শিক্ষা আৰু প্ৰচাৰ, প্ৰতিক্ৰিয়া প্ৰদান আৰু অভিযোগ-প্ৰতিকাৰ ব্যৱস্থাযুক্ত নাগৰিক জড়িতকৰণ প্ৰণালী এটাৰ বিকাশ ঘটাই RAP আৰু ESMPসমূহ ৰূপায়ণ তথা উপ-প্ৰকল্পৰ ফলাফল নিৰীক্ষণৰ সময়ত এই অংশীদাৰসকলক জড়িত কৰা যাব। এই ব্যৱস্থাবোৰে প্ৰকল্প ৰূপায়ণৰ ক্ষেত্ৰত স্বচ্ছতা আৰু দায়বদ্ধতা বৰ্তাই ৰখাটো নিশ্চিত কৰাৰ লগতে প্ৰকল্পৰ ধনাত্মক প্ৰভাৱসমূহৰ প্ৰৱণতা বৃদ্ধি কৰিব।

এই EMF-এ কায়িক শ্ৰমৰ প্ৰয়োজন হ'ব পৰা সকলো সম্ভাব্য উপ-প্ৰকল্পীয় কাৰ্য্যাৱলীকে নিৰূপণ কৰি শ্ৰেণীবদ্ধ কৰে; ঋণাত্মক পাৰিপাৰ্শ্বিক প্ৰভাৱসমূহ চয়ন, বিশ্লেষণ আৰু প্ৰশমন কৰিবলৈ উপযুক্ত ধৰণৰ আহিলা নিৰ্বাচন কৰে; প্ৰতি ধৰণৰ বিশ্লেষণত কি পৰ্য্যায়লৈ অংশীদাৰসকলৰ লগত আলোচনাৰ প্ৰয়োজন হ'ব তাৰ বিশদ বিৱৰণ দিয়ে আৰু বিৰূপ প্ৰভাৱসমূহ প্ৰশমিত কৰিবলৈ ল'বলগীয়া কাৰ্য্যপদ্ধতিৰ সফল ৰূপায়ণৰ বাবে প্ৰয়োজনীয় ঘোষণা আৰু প্ৰতিষ্ঠানিক, নিৰীক্ষণ তথা প্ৰতিবেদন দিয়া ব্যৱস্থাকো সুনিশ্চিত কৰে।

এই EMF-ত প্ৰকল্প-পৰিৱেশৰ মাজত সম্ভাব্য সকলো ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ নিৰূপণ; পাৰিপাৰ্শ্বিক প্ৰভাৱসমূহৰ শ্ৰেণীবিভাজন; বিৰূপ প্ৰভাৱ প্ৰশমন ব্যৱস্থা চিনাক্তকৰণ; এক সামগ্ৰিক পাৰিপাৰ্শ্বিক আৰু সামাজিক ভূমিৰেখা; অংশীদাৰসকলৰ চিনাক্তকৰণ তথা অংশীদাৰসকলৰ লগত কৰা আলোচনাৰ সামগ্ৰিক অনুশীলনৰ বিস্তাৰিত বিৱৰণ তথা ফলাফল; বিৰূপ প্ৰভাৱসমূহ প্ৰশমিত কৰিবলৈ ল'বলগীয়া প্ৰতিষ্ঠানিক কাৰ্য্যপদ্ধতিৰ লগতে নিৰীক্ষণ তথা প্ৰতিবেদন দিয়া ব্যৱস্থা আৰু নথি-পত্ৰ সংৰক্ষণ কৰা নিয়ম-প্ৰণালী আৰু এই EMF ৰূপায়ণ কৰিবলৈ যাওঁতে হ'বলগীয়া ব্যয়ৰ তালিকাও সন্নিৱিষ্ট কৰা হৈছে।

## 5 সুৰক্ষাবিধি চয়ন

এই EMF-এ কাৰ্য্যকলাপৰ প্ৰকৃতি, মানুহ অথবা পৰিৱেশ বা উভয়ৰে ওপৰত হ'ব লগা সম্ভাব্য প্ৰভাৱৰ ওপৰত ভিত্তি কৰি উপ-প্ৰকল্পসমূহৰ শ্ৰেণীবিভাজন কৰিছে। প্ৰতিটো উপ-প্ৰকল্প আৰম্ভ কৰাৰ আগতে কৰিবলগীয়া পাৰিপাৰ্শ্বিক আৰু সামাজিক বিশ্লেষণৰ ধৰণ আৰু ব্যাপকতাও এই EMF-এ সুনিৰ্দিষ্ট কৰি দিছে। আকাৰ/ব্যাপকতা, প্ৰকৃতি আৰু সম্ভাব্য ঋণাত্মক প্ৰভাৱৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিটো উপ-প্ৰকল্পৰে সম্ভাব্য প্ৰভাৱক বিশ্লেষণ কৰিবলৈ ব্যৱহাৰ কৰিবলগীয়া সামাজিক আৰু পাৰিপাৰ্শ্বিক বাছনি-তালিকাও এই EMF-ত সন্নিৱিষ্ট কৰা হৈছে। এই বাছনি-তালিকাবোৰে অধিক স্পৰ্শকাতৰ আৰু ব্যাপক প্ৰভাৱ পেলাব পৰা উপ-প্ৰকল্পৰ ক্ষেত্ৰত ততোধিক পুনৰ চয়ন আৰু পাৰিপাৰ্শ্বিক তথা সামাজিক ব্যৱস্থাপনাৰ আহিলা প্ৰস্তুত কৰিবলৈ দিহা দিয়ে।

## 6 নিৰীক্ষণ তথা খতিয়ানৰ প্ৰতিবেদন

কাম চলি থকা অৱস্থাত প্ৰকল্পৰ প্ৰভাৱ নিৰীক্ষণ কৰিবলৈ নিৰ্মাণৰত কৰ্মীসকলৰ মাজৰ পৰা প্ৰতিনিধি মনোনীত কৰিব পৰাৰ ব্যৱস্থা ৰাখি এই প্ৰকল্পত তিনিস্তৰীয় নিৰীক্ষণ ব্যৱস্থা ব্যৱহাৰ কৰা হ'ব । পাৰিপাৰ্শ্বিক আৰু সামাজিক সুৰক্ষা বিশেষজ্ঞ এগৰাকীয়ে নিৰীক্ষণযোগ্য বাছনি-তালিকা প্ৰস্তুত কৰিব আৰু নিয়মীয়া পাৰিপাৰ্শ্বিক অগ্ৰগতি প্ৰতিবেদন সংগ্ৰহ কৰিব। ইয়াৰ উপৰিও বাৰ্ষিকভাৱে কতৃত্বশীল আৰু নিৰপেক্ষ তৃতীয় পক্ষৰ দ্বাৰা নিৰূপিত EMF আৰু RPF-ৰ পালন তথা সুৰক্ষা সম্বন্ধীয় আহিলা যেনে RAP, ESMP আদি ৰূপায়ণ কৰা হৈছেনে নাই তাক প্ৰত্যায়িত কৰা যাব।

## 7 EMF সদৰী কৰাৰ ঘোষণা

প্ৰকল্প-ৱেবছাইট আৰু IA-বিলাকৰ ৱেবছাইটত EMF মুকলি কৰি দিয়া হ'ব আৰু ইয়াৰ কায়িক প্ৰতিলিপি সকলো প্ৰতিষ্ঠানিক অংশীদাৰ আৰু তেওঁলোকৰ সকলো আঞ্চলিক কাৰ্য্যালয়লৈ পঠোৱা হ'ব। আভ্যন্তৰিকভাৱে বিশ্ববেংকৰ ভিতৰত এই EMF সদৰী কৰি দিয়া হ'ব আৰু তথ্য-বিপণীত ইয়াক পোৱা যাব । EMF আৰু RPF-ক স্থানীয় ভাষালৈ অনুবাদ কৰা হ'ব আৰু প্ৰকল্প-ৱেবছাইট আৰু IA-বিলাকৰ ৱেবছাইটত এইবোৰ সদৰী কৰি দিয়া হ'ব আৰু প্ৰতিষ্ঠানিক অংশীদাৰ তথা পীড়িত আৰু হিতাধিকাৰী গোটসমূহৰ মাজতো উপ-প্ৰকল্পৰ প্ৰাৰম্ভিক পৰ্য্যায়তে বিতৰণ কৰা যাব।

## 8 অংশীদাৰসকলৰ লগত আলোচনা

প্ৰকল্পৰ বিভিন্ন উপাদান চূড়ান্ত কৰাৰ সময়ত তথা EMF আৰু RPF প্ৰস্তুত কৰা সময়ত অংশীদাৰৰ লগত আলোচনা সম্পন্ন কৰা হৈছে। এই আলোচনাবোৰ প্ৰতিষ্ঠানিক আৰু তৃণমূল উভয় পৰ্য্যায়ৰ অংশীদাৰৰ লগতে সম্পন্ন কৰা হৈছে। এই আলোচনাবোৰৰ পৰা বুজা যায় যে এই প্ৰকল্পৰ বহুত ধনাত্মক সামাজিক আৰু পাৰিপাৰ্শ্বিক প্ৰভাৱ আছে। অন্যহাতে অংশীদাৰসকলে এই পৰামৰ্শও দিয়ে যে EMF-ত সন্নিৱিষ্ট প্ৰণালীসমূহে উপ-প্ৰকল্পসমূহ যাতে, ৰাজহুৱা প্ৰয়োজন, নিয়মীয়া পৰামৰ্শ, পৰস্পৰ সহযোগিতা, যোগাযোগ, তথ্যৰ সুচল যোগান, প্ৰকল্পৰ দ্বাৰা পীড়িত অথবা লাভান্বিত সম্প্ৰদায় আৰু অন্যান্য অংশীদাৰসকলৰ অভিযোগ-প্ৰতিকাৰ আৰু পাৰিপাৰ্শ্বিক তথা সামাজিক/পুনৰ্বাসনৰ বিৰূপ প্ৰভাৱসমূহৰ যথোপযুক্ত প্ৰশমনৰ ভিত্তিতহে, চয়ন কৰা হয় তাক সুনিশ্চিত কৰা উচিত।

## 9 প্ৰতিষ্ঠানিক ব্যৱস্থাসমূহ

অসম অভ্যন্তৰীণ জল-পৰিবহন সঞ্চালকালয়ৰ ভিতৰত গঠন হ'বলগীয়া প্ৰকল্প ৰূপায়ণ শাখাই (PIU) প্ৰকল্প ৰূপায়ণৰ নেতৃত্ব বহন কৰিব। প্ৰকল্প ৰূপায়ণ শাখাৰ গুৰি ধৰিব প্ৰকল্প সঞ্চালকে । প্ৰকল্প ৰূপায়ণ শাখাৰ ভিতৰত অৰ্হতাসম্পন্ন কৰ্মচাৰীৰে গঠিত এটা পৰিৱেশ আৰু সামাজিক কোষো ( E&S) থাকিব। এই E&S কোষে PMU-ক পাৰিপাৰ্শ্বিক আৰু সামাজিক ব্যৱস্থাপনাৰ লগত জড়িত বিষয়ত সহায় কৰিব আৰু নিৰ্মাণ পৰিদৰ্শন পৰামৰ্শদাতা (CSC) তথা ঠিকাদাৰসকলক পৰিচালনা কৰিব আৰু গোটেই নিৰ্মাণকালছোৱাতে প্ৰতি তিনিমাহৰ মূৰে মূৰে EMP পালনৰ নিৰীক্ষণ কৰা প্ৰতিবেদন প্ৰস্তুত কৰি প্ৰকল্প সঞ্চালক তথা বিশ্ববেংকলৈ পঠিয়াই থাকিব। প্ৰকল্পৰ নিৰ্মাণ আৰু পৰিচালনা তথা তদাৰক ( O&M) উভয় পৰ্য্যায়তে পৰিৱেশসম্পৰ্কীয় নিয়মাৱলী পালন কৰা-নকৰাটো নিৰীক্ষণ কৰাৰ বাবে বাধিত অসম অভ্যন্তৰীণ জল-পৰিবহন সঞ্চালকালয়ৰ ক্ষেত্ৰীয় কৰ্মীসকলক E&S কোষে প্ৰশিক্ষণ প্ৰদানো কৰিব। ইয়াৰ উপৰিও অসম অভ্যন্তৰীণ জল-পৰিবহন সঞ্চালকালয়ে ইয়াৰ স্থায়ী কৰ্মচাৰী তথা প্ৰয়োজন অনুসাৰে নিযুক্ত কৰা বিশেষজ্ঞৰ যোগেদি এটা স্থায়ী পাৰিপাৰ্শ্বিক, সামাজিক আৰু জলবায়ু পৰিৱৰ্তন নিৰীক্ষণ তথা সমাধান শাখাও গঠন কৰিব , যিয়ে প্ৰকল্প বিনিয়োগৰ লগতে অনুষ্ঠানটোৰ অন্যান্য কাৰ্য্যকলাপৰো দীৰ্ঘম্যাদী স্থায়িত্ব, জলবায়ু পৰিৱৰ্তন প্ৰতিৰোধ তথা জলবায়ু স্পৰ্শকাতৰতা সুনিশ্চিত কৰিব।.

প্ৰকল্পটোৰ EMP ৰূপায়ণ কৰাকে ধৰি পাৰিপাৰ্শ্বিক পাৰদৰ্শিতাৰ সৰ্বোপৰি দায়িত্ব PIU-ৰ ওপৰত ন্যস্ত থাকিব। তেওঁলোকৰ অভ্যন্তৰীণ পাৰিপাৰ্শ্বিক আৰু সামাজিক বিশেষজ্ঞসকলৰ বাদেও PIU-ই নিৰ্মাণ পৰিদৰ্শন পৰামৰ্শদাতা (CSC) কিছুমান নিযুক্তি দিব যিয়ে ঠিকাদাৰসকলৰ নিৰ্মাণজড়িত সামাজিক আৰু পাৰিপাৰ্শ্বিক ব্যৱস্থাপনাৰ আৱশ্যকতা আৰু ব্যৱস্থাৰ সফল ৰূপায়ণক পৰিদৰ্শন কৰিব। CSC-য়ে গুণগত প্ৰয়োজনীয়তাকে ধৰি সংৰচনাৰ মান্য-মাপকৰ লগতে নিৰ্মাণজড়িত সকলো EMP ব্যৱস্থাৰ সুচাৰুৰূপে পালন কৰাটো নিশ্চিত কৰিব।

EMP-ৰ সঠিক ৰূপায়ণৰ নিমিত্তে E&S কোষে CSC-ৰ লগত সহযোগিতা আৰু সংহতি বজাই ৰাখিব । একেধৰণে CSC-ৰ লগতো পাৰিপাৰ্শ্বিক তথা সামাজিক নিৰীক্ষকসকল থাকিব যিয়ে ঠিকাদাৰসকলক EMP-ৰ সঠিক ৰূপায়ণৰ নিমিত্তে পৰিদৰ্শন আৰু নিৰীক্ষণ কৰিব। ঠিকাদাৰসকলৰো নিজাববীয়া HSE পৰিদৰ্শক থাকিব যিসকলে নিৰ্মাণ কাৰ্য্যৰ সময়ছোৱাত EMP-ৰ সঠিক ৰূপায়ণ নিশ্চিত কৰিব লগতে EMP সাপেক্ষ বিস্তৃত আৱশ্যকীয় পৰিকল্পনা বিকাশ আৰু সেইবোৰৰ সঠিক ৰূপায়ণৰ পৰিদৰ্শনৰ দায়িত্বও পালন কৰিব।

## 10 অভিযোগ সমাধান ব্যৱস্থা (Grievance Redress Mechanism, GRM)

অভিযোগবোৰ একাধিক অভিযোগৰ চেনেলৰ মাধ্যমেৰে পঞ্জীয়ন কৰা হ ব পাৰে', যেনে ধৰক হেল্পলাইন , ইমেইল, GRC (কোনো বিভাগীয় স্তৰ বা উচ্চ স্তৰৰ GRC) বা ৱাক-ইন চিঠিৰ দ্বাৰা অথবা প্ৰতিটো প্ৰকল্পৰ স্থান / ঘাটত প্ৰদান কৰা লগবুক বা পৰামৰ্শ বাকচৰ দ্বাৰা। লিংগ আধাৰিত হিংসাৰ (GBV) কাৰণে বিশেষ প্ৰক্ৰিয়া থাকিব য ত'GBV সম্পৰ্কীয় কেছৰ সুৰক্ষিত আৰু নৈতিক দস্তাবেজৰ লগতে গোপনীয় প্ৰতিবেদন থাকিব।

ক্ষেত্ৰটোৰ অভিযোগ সমাধানৰ কাৰণে বিভাগীয় স্তৰৰ অভিযোগ সমাধান কমিটি (Grievance Redress Committee, GRC) গঠন কৰা হ ৰ দ্বাৰা লিখিত' ব। সহায়তা প্ৰদানকাৰী এনজিঅ'PAP/ Non-Title Holderৰ অভিযোগ নিবাৰণৰ কাৰণে GRC লৈ অনা হ ব।'GRC-এ ৭ দিনৰ ভিতৰত অভিযোগৰ সঁহাৰি জনাব। অভিযোগ পোৱা তাৰিখৰ পৰা এমাহৰ (৩০ দিন) ভিতৰত GRC লৈ অনা অভিযোগ সমাধান কৰা হ ব।'GRCৰ সিদ্ধান্ত PAP/ Non-Title Holderৰ ক্ষেত্ৰত বাধ্যবাধক নহব', গতিকে GRCৰ সিদ্ধান্ত PAPৰ আদালতলৈ লৈ যোৱাৰ ক্ষেত্ৰত বঞ্চিত কৰিব নোৱাৰিব।

উচ্চতম কৰ্তৃপক্ষক আপীল কৰিব বিচৰা পিটিশ্বনকাৰীয়ে পোনপটীয়াকৈ PIUত GRCকআপীল কৰিব পাৰিব , য ত প্ৰকল্প' নিৰ্দেশক, সামাজিক উন্নয়নৰ বিশেষজ্ঞ, IEC বিশেষজ্ঞ, অন্তৰ্দেশীয় জল পৰিবহন নিয়ামক প্ৰাধিকৰণ , অসমৰ সদস্য, ৰাজহ বিভাগৰ প্ৰতিনিধি আৰু স্বীকৃত এনজিঅ ৰ সদস্য থাকিব। অভিযোগ পোৱাৰ পাছত', PMUত GRC-এ ৭ দিনৰ ভিতৰত পিটিশ্বনকাৰীক প্ৰাপ্তিস্বীকাৰ কৰিব। অভিযোগ পোৱাৰ ৩০ দিনৰ ভিতৰত PMU-এ কেছটো নিষ্পত্তি কৰিব। সমাধান কৰা কেছৰ বিৱৰণ দস্তাবেজ আৰু ৱেবছাইট যোগে প্ৰকাশ কৰা হব।'

ভূমি অধিগ্ৰহণ পুনৰ্বাসন আৰু প্ৰতিষ্ঠাপন নীতি ২০১৫ (ধাৰা ৪৫)ত আছাম ৰাইট টু ফেয়াৰ কম্পেনছেশ্বন এণ্ড ট্ৰান্সপাৰেন্সীৰ নিয়ম অনুযায়ী L.A আৰু R&Rৰ কেছৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে ক্ষতিপূৰণ পৰিশোধ সম্পৰ্কীয় বিবাদ মীমাংসা কৰিবৰ কাৰণে পুনৰ্বাসন আৰু প্ৰতিষ্ঠাপন কৰ্তৃপক্ষ মনোনীত কৰিব।